# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 26-OCT-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*
-------------------

০০০০০

ভাৰতৰ কফিৰ জনপ্ৰিয়তা বৰ্তমান বিশ্বজুৰি বৃদ্ধি পাইছে। উত্তৰ পূৰ্বাঞ্চলতো সম্প্ৰতি কফি খেতি জনপ্ৰিয় হৈছে আৰু উত্তৰ-পূবৰ কফিয়ে বিশ্বত ভাৰতীয় কফিৰ পৰিচয় শক্তিশালী কৰাত ভূমিকা ল'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীযোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানত আজি এইদৰে কয়।

প্ৰধানমন্ত্ৰীয়ে ষট্‌ পূজাৰ কথা উল্লেখ কৰি কয়, যে এই উৎসৱ হৈছে সংস্কৃতি, প্ৰকৃতি আৰু সমাজৰ গভীৰ একতাৰ প্ৰতিফলন। তেওঁ সমগ্ৰ দেশবাসী, বিশেষকৈ বিহাৰ, ঝাৰখণ্ড আৰু পূৰ্বাঞ্চলৰ লোকসকলক ষট্‌ পূজাৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে।

শ্ৰীমোদীয়ে অপাৰেচন সিন্দূৰে প্ৰতিগৰাকী ভাৰতীয়ক গৌৰৱান্বিত কৰিলে বুলি মন কী বাতত প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে এইবাৰৰ দীপাৱলীত এসময়ত মাওবাদী সন্ত্ৰাসৰ প্ৰভাৱ থকা অঞ্চলতো চাকিৰ পোহৰে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰিলে। উৎসৱৰ বতৰত থলুৱা সামগ্ৰীৰ আদৰ তথা বিক্ৰী বৃদ্ধি হোৱাৰ কথাত তেওঁ আনন্দ প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে অহা ৩১ অক্টোবৰত পালন কৰিবলগীয়া চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মদিৱসৰ কথা উল্লেখ কৰি কয়, যে এই উপলক্ষে প্ৰতি বছৰে গুজৰাটৰ একতা নগৰত থকা একতাৰ প্ৰতিমূৰ্তিৰ সন্মুখত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। দেশৰ প্ৰতি চৰ্দাৰ পেটেল আগবঢ়াই যোৱা অৱদানক প্ৰধানমন্ত্ৰীয়ে গভীৰভাৱে স্মৰণ কৰে। তেওঁ চৰ্দাৰ পেটেলৰ সোঁৱৰণত ৩১ অক্টোবৰত দেশজুৰি হ'বলগীয়া একতাৰ দৌৰত অংশগ্ৰহণ কৰিবলৈ সকলোকে আহ্বান জনায়।

০০০০০

ৰাজ্যখনৰ ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে জনগোষ্ঠীকেইটাৰ অন্তৰ্গত দল-সংগঠনে জনাই অহা দাবীৰ প্ৰতি অসম গণ পৰিষদ দলৰ পূৰ্ণ সমৰ্থন আছে বুলি দলৰ সভাপতি অতুল বৰাই প্ৰকাশ কৰিছে। তেওঁ কয়, যে আহোম, চুতীয়া, মৰাণ, মটক, কোচ-ৰাজবংশী আৰু চাহ জনগোষ্ঠীৰ লোকসকলে দীৰ্ঘদিন ধৰি জনজাতিকৰণৰ বাবে দাবী জনাই আহিছে। এই দাবীৰ প্ৰতি অসম গণ পৰিষদ দলে সমৰ্থন জনাই বুলি তেওঁ সাংবাদিকৰ আগত প্ৰকাশ কৰে।

**বাইট (অতুল বৰা)**

উল্লেখযোগ্য যে উজনি অসমত এই জনগোষ্ঠীকেইটাৰ দল-সংগঠনৰ নেতৃত্বত সাধাৰণ লোকসকলে দীৰ্ঘদিন ধৰি জনজাতিকৰণৰ দাবীত আন্দোলন চলাই আহিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কিছুদিন পূৰ্বে এই সন্দৰ্ভত জনগোষ্ঠীকেইটাৰ এই দাবী ন্যায্য বুলি প্ৰকাশ কৰাৰ লগতে নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ মাধ্যমেৰে এই দিশত

আগবাঢ়িব পৰা যাব বুলি উল্লেখ কৰিছিল। তেওঁ এই জনগোষ্ঠীকেইটাৰ লোকসকলৰ দাবী সোনকালেই পূৰণ হ'ব বুলিও আশ্বাস দিছিল।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত হিন্দু ধৰ্মৰ অন্যতম প্ৰাচীন উৎসৱ ষট্ পূজা পালনৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। এই উপলক্ষে গুৱাহাটীৰ আৰক্ষী উপ-আয়ুক্ত কাৰ্যালয়ে কাইলৈ আৰু পৰহিলৈ মহানগৰীখনত যানবাহন চলাচলৰ ক্ষেত্ৰত কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। কাইলৈ দিনৰ ১১ বজাৰ পৰা পৰহিলৈ দিনৰ ১১ বজালৈ এই নিৰ্দেশনাসমূহ কাৰ্যকৰী হ'ব। এই অনুসৰি গুৱাহাটী মহানগৰীত এই সময়ছোৱাত সামগ্ৰী পৰিবাহী গধূৰ বাণিজ্যিক বাহন আৰু অন্য গধূৰ বাহন প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। অৱশ্যে মাছখোৱা অঞ্চলত পূজাৰ সামগ্ৰী আৰু ভক্তসকলক কঢ়িয়াই নিয়া বাহনসমূহ চলাচলত অনুমতি দিয়া হ'ব। ঠেলা, ৰিক্সা, ঘোঁৰাগাড়ীকে ধৰি লঘূ বাহনসমূহ মাছখোৱাৰ পৰা মুখ্য ন্যায়াধীশৰ ভৱনলৈ পথছোৱাত এই সময়ছোৱাত চলাচলৰ অনুমতি দিয়া হ'ব। তদুপৰি আন্তঃজিলা বাছসমূহ ৰাষ্ট্ৰীয় ঘাইপথেৰেহে চলাচল কৰাৰ অনুমতি দিয়া হৈছে। ভৰলুমুখৰ দিশৰ পৰা চানমাৰি অভিমুখী ছিটী বাছসমূহ এইছ বি ৰোড নাইবা এ টি ৰোডৰ বিকল্প পথ ল'বলৈ কোৱা হৈছে। একেদৰে চানমাৰি দিশৰ পৰা অহা ছিটীবাছ তথা অন্যান্য বাহনসমূহ পাণবজাৰৰ ছেচন ন্যায়াধীশৰ আদালতৰ সন্মুখেৰে ভৰলুমুখলৈ যাবলৈ নিৰ্দেশ দিয়া হৈছে।

এই উৎসৱৰ প্ৰাক্মুহূৰ্তত ৰাজ্যৰ বিভিন্ন প্ৰান্তত বজাৰসমূহত বিভিন্ন ফল-মূল, শাক-পাচলি, পূজাৰ সামগ্ৰী আদিৰ পয়োভৰ দেখা গৈছে। বিশ্বনাথ জিলাৰ বিহালী, গহপুৰতো ষট্ পূজা পালনৰ প্ৰস্তুতি চলা পৰিলক্ষিত হৈছে। শিলচৰতো এই উৎসৱ উপলক্ষে বৰাক নদীৰ অন্নপূৰ্ণা ঘাট, ৰংপুৰ ঘাট, বৰম বাবা, এন আই টি শিলচৰৰ জলাশয়ৰ বিভিন্ন ঘাট ইতিমধ্যে সজাই তোলা হৈছে। কাছাৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই সকলো ভক্ত আৰু জনসাধাৰণৰ উদ্দেশ্যে বিভিন্ন নিৰ্দেশনা জাৰি কৰিছে। হোজাই জিলাৰ লংকা লংকেশ্বৰী ষট্ ঘাটত পূজা সমিতিয়ে দুদিনীয়া কাৰ্যসূচীৰে ষট্ পূজা পালনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে।

০০০০০

নাৰী শিক্ষাৰ ক্ষেত্ৰত যুগান্তকাৰী পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাইলৈ ছাত্ৰীসকলৰ মাজত চেক বিতৰণ কৰা হ'ব। উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ ১০ লাখ কন্যা শিক্ষাৰ্থীৰ সুবিধাৰ্থে ৰাজ্য চৰকাৰে এই অভিলাষী পদক্ষেপ গ্ৰহণ কৰিছে। এই আঁচনিখনৰ জৰিয়তে মহাবিদ্যালয়ত ছাত্ৰীৰ নামভৰ্তিৰ সংখ্যা বৃদ্ধি, বাল্যবিবাহ তথা কৈশোৰকালৰ মাতৃত্ব প্ৰতিৰোধ, প্ৰতিগৰাকী কন্যা শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষা সুনিশ্চিত হৈছে। ২০২৪-২৫ বৰ্ষত এই আঁচনিৰ অধীনত এক লাখ ৬০ হাজাৰ ছাত্ৰীলৈ ১৩৩ কোটি টকা মোকলাই দিয়াৰ বিপৰীতে ২০২৫-২৬ বৰ্ষত ৩ লাখ ৫০ হাজাৰ ছাত্ৰীক নিযুত মইনা আঁচনিৰ সুবিধা প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। কাইলৈ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়াপ্ৰকল্পত এই আঁচনিৰ চেক বিতৰণৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, পূব গুৱাহাটীৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যকে ধৰি আন কেইবাগৰাকী বিধায়ক উপস্থিত থাকিব।

০০০০০

সমাপ্ত